Total No. of Printed Pages—8

**X/19/AS (O)**

**2 0 1 9**

# ASSAMESE

( INDIAN LANGUAGE )

( Old Course )

**( COMPARTMENTAL CANDIDATES WITH INTERNAL ASSESSMENT )**

*Full Marks* : 80
*Pass Marks* : 24

**( NON-REGULAR, PRIVATE AND COMPARTMENT CANDIDATES WITHOUT INTERNAL ASSESSMENT )**

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) The Candidates are advised to attempt all questions accordingly.

(ii) Marks allocated to every question are indicated against each.

(iii) Question Nos. **1** to **18** are to be answered by Compartmental Candidates without Internal Assessmenet.

(iv) Question Nos. **1** to **24** are to be answered by Regular and Compartmental Candidates with Internal Assessment.

**( গদ্য ভাগ )**

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ *এটা* বাক্য বা শব্দৰে দিয়া : ১×৪=৪

(ক) মহাপুৰুষ শঙ্কৰদেৱৰ জন্মস্থানখনৰ নাম কি?

(খ) অসমত কাৰ দিনত চাহ উদ্যোগ প্ৰতিষ্ঠা হৈছিল?

(গ) পাণিনি আৰু চাণক্য কোনখন বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল?

(ঘ) প্ৰাচীন ভাৰতৰ আটাইতকৈ ডাঙৰ পুথিভঁৰালটোৰ নাম কি আছিল?

২। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৩=৩

(ক) ______ দিনতে অসমলৈ ৰেলগাড়ী আহিল।

(খ) এক দেৱ এক সেৱ ______ বিনে নাহি কেৱ।

(গ) ______ আহিল ইয়াণ্ডাবু সন্ধিৰ পাচত।

৩। তলৰ যি কোনো **দুটা** বিষয়ৰ চমু টোকা লিখা : ২×২=৪

নালন্দা বিশ্ববিদ্যালয় ; ভটিমা ; পাণিনি ; শৰণীয়া।

৪। তলত দিয়া যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) তোমাৰ পাঠ্যৰ আধাৰত সমাজ সংগঠক হিচাপে শঙ্কৰদেৱে কি কি কাম কৰিছিল, বৰ্ণনা কৰা।

(খ) আধুনিক ভাৰতৰ শিক্ষা ব্যৱস্থাৰ সৈতে প্ৰাচীন ভাৰতৰ শিক্ষাৰ মূল পাৰ্থক্যসমূহ সহজ ভাষাৰে বুজাই লিখা।

**( পদ্য ভাগ )**

৫। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ *এটা* বাক্য বা শব্দৰে লিখা : ১×৪=৪

(ক) ‘কেতেকী’ কবিতা-পুথিখনৰ কবিগৰাকীৰ নাম কি?

(খ) ‘মোৰ দেশ’ কবিতাটোৰ কবিগৰাকীৰ নাম কি?

(গ) “গোৰাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী।”
কবিয়ে কাক ‘প্ৰিয় বিহঙ্গিনী’ আখ্যা দিছে?

(ঘ) কোনগৰাকী কবিৰ কবিতাত জাপানী ‘হাইকু’ কবিতাৰ প্ৰতিধ্বনি শুনা যায়?

৬। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৩=৩

(ক) এই অপৰাধখানি নসৈলা ______ ৰাণী
আৰৰ সহিবা তুমি কি?

(খ) এনে বহু যাত্ৰাৰ শেষ মোৰ ______ ।

(গ) গিৰি-গুহা-উপবন, ______,
গোৰাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী।

৭। তলত দিয়া যি কোনো **এটা** কবিতাৰ সাৰাংশ লিখা : ৩

(ক) বৰগীত

(খ) গোৰাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) ‘‘আলো মাই গালি তুমি নাপাৰিয়ো মোৰে।’’
এই কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল, চমুকৈ বৰ্ণনা কৰা।

(খ) ‘‘অনৈক্যৰ মাজত ঐক্য হৈ, বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছোঁ।’’
ইয়াত কবিয়ে অনৈক্যৰ মাজত ঐক্য হৈ থকা বুলি কিয় কৈছে?

**( দ্ৰুত পাঠ্য )**

৯। তলত দিয়া শব্দকেইটাৰ অৰ্থ লিখা (যি কোনো **চাৰিটা**) : ১×৪=৪

খৰিকা ; সাবালক ; নিমাখিত ; চোৰাংচোৰা ; ক্ষোভ ; জলাতংক ; অবোধ ।

১০। চমু টোকা লিখা (যি কোনো **দুটা**) : ২×২=৪

খনাজান ; পাংখাৱালা ; খুটিবৰশী ; পাঠশালাৰ শিক্ষক।

১১। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) যুদ্ধ আৰু স্বাধীনতা আন্দোলনৰ ধামখুমীয়াত লেখক ভবেন্দ্ৰনাথ শইকীয়াৰ স্কুলীয়া জীৱন কেনে হৈ পৰিছিল?

(খ) ‘আতংকৰ শেষত’ নামৰ কিতাপখনৰ বিষয়ে বহলাই লিখা।

**( ব্যাকৰণ ভাগ )**

১২। সন্ধি ভাঙা আৰু যোৰা লগোৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

ইতি+আদি ; হিম+আলয় ; নীল+উৎপল ; প্ৰত্যেক ; মহোদয় ; উন্নতি ; শয়ন।

১৩। ণত্ববিধি আৰু ষত্ববিধি বুলিলে কি বুজা? ণত্ববিধিৰ তিনিটা নিয়ম উল্লেখ কৰা। ২+৩=৫

১৪। তোমাৰ এটি ভ্ৰমণৰ বিষয়ে বৰ্ণনা কৰি বন্ধু বা বান্ধৱীলৈ এখন চিঠি লিখা। ৫

১৫। তলত দিয়া যি কোনো **পাঁচটা** জতুৱা ঠাঁচৰ অৰ্থ প্ৰকাশ পোৱাকৈ বাক্য ৰচনা কৰা : ১×৫=৫

আলাসৰ লাড়ু ; চকু-চৰহা ; হাত-লৰ ; খাই পাত ফলা ; কথা-চহকী ; ডলাৰ বগৰী ; কণাৰ লাখুটি ; আপুৰুগীয়া।

১৬। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) খাবলৈ অনা কলপুলি

(খ) বিহুৰ আগদিনা

(গ) দুই মাহৰ মাজৰ দিন

(ঘ) বৰষুণ নোহোৱা বতৰ

(ঙ) গৰু বন্ধা ঘৰ

(চ) যাৰ ঘৰবাৰী নাই

(ছ) এবাৰ গুটি লাগি মৰা গছ

১৭। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৫

(ক) ৰাইজে নখ জোকাৰিলে নৈ বৈ যায়।

(খ) আঁঠুৰা চাই ঠেং মেলা।

(গ) অতি ভক্তি চোৰৰ লক্ষণ।

(ঘ) পৰত আশ বনত বাস।

১৮। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) তুমি উদ্‌যাপন কৰা এটি উৎসৱ

(খ) তোমাৰ জীৱনৰ লক্ষ্য

(গ) বিজ্ঞানৰ অৱদান

(ঘ) ইন্টাৰনেট আৰু যুৱসমাজ

**( For Candidates without Internal Assessment only )**

১৯। তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ লিখা : ১×৪=৪

(ক) মহাপুৰুষ শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ সাৰভাগ কি আছিল ?

(খ) কি বিদ্যাৰ কাৰণে অসম দেশ প্ৰাচীন কালৰে পৰা প্ৰসিদ্ধ আছিল ?

(গ) কোনখন বিশ্ববিদ্যালয় পণ্ডিতসকলৰ মিলন ক্ষেত্ৰ আছিল ?

(ঘ) 'অসমৰ জনগোষ্ঠীৰ গাঁথনি আৰু সংস্কৃতি' প্ৰবন্ধটোৰ লেখক কোন ?

২০। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৩=৩

(ক) নালন্দা বিশ্ববিদ্যালয়ত বেদ, চিকিৎসা আৰু _____ শিক্ষা দিয়া হৈছিল।

(খ) _____ ৰ নিজৰ জীৱনেই সমাজৰ কাৰণে এটি উচ্চতম আৰ্হি।

(গ) _____ অনুষ্ঠানটোও ঠিক শঙ্কৰদেৱৰ সময়ৰ পৰাই অসমত প্ৰচলিত হয়।

২১। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ''এই সকলো লগলাগি বৃহৎ অসমীয়া জাতি গঢ়ি উঠিল।'' কথাষাৰ ব্যাখ্যা কৰি অসমৰ জনগোষ্ঠীৰ বৈচিত্ৰ্যৰ কথা বহলাই লিখা।

(খ) বিহঙ্গিনীয়ে কি সুৰত, ক'ত, কি ৰাগিণীৰে, কেনেভাৰে গীত গাই কবিক অভিভূত কৰিছে, পাঠ্যৰ আধাৰত তাৰ আভাস দিয়া।

২২। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) ‘উদয়’ নামৰ আলোচনীখনৰ বিষয়ে এটি চমু টোকা লিখা।

(খ) তলৰ যি কোনো **এটাৰ** চমু টোকা লিখা :

লেখকৰ প্ৰথম ফটোখন ; ভীমৰ গাঁও ; ৰেজিবুদ্দিন আহমেদ।

২৩। সূত্ৰ লিখি উদাহৰণ দিয়া (যি কোনো **দুটা**) : ২×২=৪

ষত্ববিধি ; দ্বিগু সমাস ; কৃৎ প্ৰত্যয় ; বিশেষণীয় বিশেষণ।

২৪। লিংগ পৰিৱৰ্তন কৰা (যি কোনো **দুটা**) : ১×২=২

পুৰুষ ; দৰা ; ল’ৰা ; শিক্ষক ; সভাপতি ।

★★★